মানুহৰ প্ৰতিটো গাঁঠিৰ বিপৰীতে চাদাক্বাহ আছে।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "দৈনিক যেতিয়া সূৰ্য উদয় হয় মানুহে নিজৰ (শৰীৰৰ) প্ৰত্যেক গ্ৰন্থিৰ (পৰিবৰ্তে) চাদাক্বাহ দিয়া কৰ্তব্য। দু'জন মানুহৰ মাজত ইনচাফ কৰাও হৈছে চাদাক্বাহ, কোনো আৰোহীক তাৰ বাহনৰ ওপৰত আৰোহণ কৰিবলৈ বা তাৰ
ওপৰত বোজা উঠাবলৈ সহায় কৰাও হৈছে চাদাক্বাহ, ভাল কথা কোৱাও হৈছে চাদাক্বাহ, ছালাতৰ বাবে প্ৰত্যেক পদক্ষেপ হৈছে চাদাক্বাহ আৰু কষ্টদায়ক বস্তু বাটৰ পৰা আঁতৰাই
দিয়াটোও হৈছে চাদাক্বাহ।" [رواه البخاري ومسلم] [ছহীহ[

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, চৰীয়তৰ অধীনস্থ প্ৰতিজন মুছলিমৰ ওপৰতে দৈনিক নিজৰ প্ৰতিটো গাঁঠিৰ বিপৰীতে চাদাক্বাহ কৰা উচিত। এইটো মহান আল্লাহে কৃতজ্ঞতা প্ৰকাশৰ উদ্দেশ্যে পালন কৰিবলৈ বিধিবদ্ধ কৰিছে, যাতে বান্দা সুস্থ থাকে। কাৰণ তেৱেঁই এইবোৰ গাঁঠি বনাইছে, যাৰ দ্বাৰা বান্দাই নিজৰ সুবিধামতে ধৰিব পাৰে আৰু প্ৰসাৰিত কৰিব পাৰে। এই চাদাক্বাহ সকলো প্ৰকাৰ নেক আমলৰ জৰিয়তে কৰিব পাৰি, কেৱল ধন-সম্পদৰ মাজতেই সীমাবদ্ধ নহয়। যেনে- দুজন বিবদমান লোকৰ মাজত মীমাংসা কৰি দিয়াটোও হৈছে চাদাক্বাহ। বাহনত আৰোহণ কৰিব নোৱাৰা ব্যক্তিক আৰোহণ কৰাত সহায় কৰা অথবা বাহনত বয়-বস্তু উঠাই দিয়াত সহায় কৰাটোও হৈছে চাদাক্বাহ, উত্তম কথা যেনে- জিকৰ-আজকাৰ, দুআ, ছালাম আদিও হৈছে চাদাক্বাহ। নামাজৰ বাবে খোজকাঢ়ি যোৱা প্ৰতিটো পদক্ষেপ হৈছে চাদাক্বাহ। ৰাস্তাৰ পৰা কষ্টদায়ক বস্তু আঁতৰাই দিয়াটোও হৈছে চাদাক্বাহ।

https://sunnah.global/hadeeth/as/show/66527